Jawaharlal Nehru College Library
Estd.-1964
Boko, Dist. Kamrup

2022

HISTORY

(Honours)

Paper : HIS–HC–3036

[History of India—IV (C. 1206–1550)]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer any *ten* from the following questions in *one* word or in *one* sentence each : 1×10=10

নিম্নলিখিত প্রশ্নসমূহৰ প্রতিটোৰ উত্তৰ *এটা* শব্দ বা *এটা* বাক্যত দিয়া (যি কোনো দহটা) :

(a) Write the name of the book written by Hasan Nizami.

হাচান নিজামীৰ দ্বাৰা ৰচিত গ্ৰন্থখনৰ নাম লিখা।

(b) Who is the author of the book, the *Tabaqat-i-Nasiri* ?

'তবাকাৎ-ই-নাছিৰি' গ্ৰন্থখনৰ লেখক কোন ?

(c) Who did compose *Prithviraj Raso*?

পৃথ্বীৰাজ ৰাচ' কোনে ৰচনা কৰিছিল ?

(d) Why was Malik Muhammad Jayasi famous for?

মালিক মহম্মদ জয়চী কি কাৰণে বিখ্যাত ?

(e) Who was the founder of the Mamluk dynasty in India?

ভাৰতত মাম্লুক বংশ কোনে প্ৰতিষ্ঠা কৰিছিল ?

(f) Who did complete the construction of the Qutb Minar at Delhi?

দিল্লীৰ কুতুব মিনাৰৰ নিৰ্মাণ কোনে সম্পূৰ্ণ কৰিছিল ?

(g) Who was the first lady Sultan of the Delhi Sultanate?

দিল্লীৰ চুলতানসকলৰ শাসনকালত প্ৰথমগৰাকী মহিলা শাসনকৰ্তা কোন আছিল ?

(h) Who was the founder of the Khilji dynasty in Delhi?

দিল্লীৰ খিলজি বংশৰ প্ৰতিষ্ঠাতা কোন আছিল ?

(i) Who was the ruler of Gujarat when Alauddin Khilji invaded Gujarat?

আলাউদ্দিন খিলজিৰ গুজৰাট আক্ৰমণৰ সময়ত গুজৰাটৰ শাসনকৰ্তা কোন আছিল ?

(j) Who was Kamala Devi?

কমলাদেৱী কোন আছিল ?

(k) Who was Padmini?

পদ্মিনী কোন আছিল ?

(l) Who was the founder of the Tughluq dynasty?

টোঘলক ৰাজবংশৰ প্ৰতিষ্ঠাতা কোন আছিল ?

(m) Who built the Alai Darwaza?

আলাই দৰৱাজা কোনে নিৰ্মাণ কৰিছিল ?

(n) When did the Battle of Talikota take place?

টালিকোটাৰ যুদ্ধ কেতিয়া সংঘটিত হৈছিল ?

(o) What was Jizya?

জিজিয়া কি আছিল ?

(p) Who adopted the title 'Zilli Illah'?

'জিল্লি ইল্লা' উপাধি কোনে গ্ৰহণ কৰিছিল ?

(q) Who was the founder of Bahmani kingdom?

বাহমনি ৰাজ্যৰ প্ৰতিষ্ঠাতা কোন আছিল ?

(r) Who did preach Neo-Vaishnavism in Assam?

অসমত নৱ-বৈষ্ণৱ ধৰ্ম কোনে প্ৰচাৰ কৰিছিল ?

2. Answer any *five* of the following questions in brief : 2×5=10

নিম্নলিখিত প্রশ্নসমূহৰ যি কোনো পাঁচটাৰ চমু উত্তৰ দিয়া :

(a) Mention any two taxes introduced by the Delhi Sultanate.

দিল্লীৰ চুলতানসকলে আৰোপ কৰা যি কোনো দুটা কৰৰ নাম লিখা।

(b) In the Second Battle of Tarain in 1192 CE, who defeated whom?

১১৯২ খ্ৰীষ্টাব্দৰ দ্বিতীয় তৰাইনৰ যুদ্ধত কোনে কাক পৰাজিত কৰিছিল ?

(c) What were the functions of Diwan-i-Ashraf and Amir-i-Kohi under Alauddin Khilji?

আলাউদ্দিন খিলজিৰ প্ৰশাসনত দিৱান-ই-আচৰাফ্ আৰু আমিৰ-ই-কোহিৰ দায়িত্ব কি আছিল ?

(d) When did Taimur invade Northern India? Who was the ruler of the Delhi Sultanate at that time?

টাইমূৰে উত্তৰ ভাৰত কেতিয়া আক্ৰমণ কৰিছিল ? সেই সময়ত দিল্লীৰ চুলতান কোন আছিল ?

(e) Mention two economic effects of Taimur's invasion of Northern India.

টাইমূৰৰ উত্তৰ ভাৰত আক্ৰমণৰ দুটা অৰ্থনৈতিক প্ৰভাৱ উল্লেখ কৰা।

(f) In which year did the First Battle of Panipat take place? Who did win the Battle?

পানীপথৰ প্ৰথম যুদ্ধ কেতিয়া সংঘটিত হৈছিল ? এই যুদ্ধত কোনে জয়লাভ কৰিছিল ?

(g) Mention two characteristic features of architecture during the Sultanate period.

চুলতানী আমোলত ভাস্কৰ্যৰ দুটা উল্লেখযোগ্য বৈশিষ্ট্য উল্লেখ কৰা।

(h) Write the names of any two seaports of India during the Delhi Sultanate.

দিল্লীৰ চুলতানসকলৰ সময়ৰ ভাৰতবৰ্ষৰ যি কোনো দুটা বন্দৰৰ নাম লিখা।

(i) Write the names of two distinguished women of the Bhakti Movement.

ভক্তি আন্দোলনৰ দুগৰাকী প্ৰসিদ্ধ মহিলা ভক্তৰ নাম লিখা।

(j) Who were the Ahoms?

আহোমসকল কোন আছিল ?

3. Write short notes on any *four* of the following : 5×4=20

নিম্নলিখিতসমূহৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা :

(a) Ziauddin Barani

জিয়াউদ্দিন বাৰাণী

(b) Virgatha traditions

বীৰগঠা পৰম্পৰা

(c) Alberuni's description of India

আলবেৰুণীৰ ভাৰত বিৱৰণ

(d) Personality of Raziya Sultana

ৰাজিয়া চুলতানাৰ ব্যক্তিত্ব

(e) Malik Kafur

মালিক কাফুৰ

(f) Causes of the downfall of the Delhi Sultanate

দিল্লীৰ চুলতানী সাম্ৰাজ্যৰ পতনৰ কাৰণসমূহ

(g) Agricultural production and technology during the Delhi Sultanate

দিল্লী চুলতানসকলৰ সময়ত ভাৰতৰ কৃষি উৎপাদন আৰু কৃষি প্ৰযুক্তি

(h) Iltutmish

ইলতুৎমিছ

4. Answer any *four* of the following questions : 10×4=40

নিম্নলিখিত প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Discuss how art and architecture provide information for the reconstruction of the history of the Delhi Sultanate period.

দিল্লীৰ চুলতানী সময়ৰ ইতিহাস ৰচনা কৰাৰ ক্ষেত্ৰত সেই সময়ৰ শিল্পকলা আৰু ভাস্কৰ্যই কেনেকৈ সমল যোগায়, আলোচনা কৰা।

(b) Discuss the reign of Ghiyas-ud-din Balban.

গিয়াছউদ্দিন বলবনৰ ৰাজত্বকাল বৰ্ণনা কৰা।

(c) Analyze the market regulation and price control policies of Alauddin Khilji.

আলাউদ্দিন খিলজিৰ বজাৰ অধিনিয়ম আৰু মূল্য নিয়ন্ত্ৰণ ব্যৱস্থাৰ বিষয়ে বৰ্ণনা কৰা।

(d) Make an estimate of Muhammad bin-Tughluq.

মহম্মদ বিন-টোঘলকৰ এটি মূল্যাংকন আগবঢ়োৱা।

(e) Discuss the administration of Mahmud Gawan of the Bahmani kingdom.

বাহমনি ৰাজ্যৰ মাহমুদ গাৱানৰ প্ৰশাসনিক ব্যৱস্থাৰ বিষয়ে আলোচনা কৰা।

(f) Examine the administrative measures and reforms of Firuz Shah Tughluq.

ফিৰোজ ছাহ টোঘলকৰ প্ৰশাসনিক ব্যৱস্থা আৰু সংস্কাৰসমূহ পৰীক্ষণ কৰা।

(g) Elaborate the Iqta system under the Delhi Sultanate.

দিল্লীৰ চুলতানী শাসনৰ সময়ছোৱাত ইক্টা ব্যৱস্থাৰ বিষয়ে বহলাই আলোচনা কৰা।

(h) Briefly discuss the administrative system, society and culture of the Vijayanagar kingdom.

বিজয়নগৰ ৰাজ্যৰ শাসন ব্যৱস্থা, সমাজ আৰু সংস্কৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(i) Give an account of the internal trade and overseas trade of India during the period of your study.

তুমি অধ্যয়ন কৰা সময়খিনিত ভাৰতৰ আভ্যন্তৰীণ আৰু সাগৰীয় ব্যৱসায়ৰ ওপৰত এটি বিৱৰণ দিয়া।

(j) Discuss the contributions of the Bhakti and Sufi Movements to Indian society.

ভাৰতীয় সমাজত ভক্তি আৰু চুফী আন্দোলনৰ অৱদানসমূহ আলোচনা কৰা।

***